অধ্যায় ৯ ঃ শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকল

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকল

- ৯.৩.১ সার্বভৌম ভট্টাচার্য্য
- ৯.৩.২ কংসাৰি কায়স্থ
- ৯.৩.৩ শ্রীধৰ কন্দলি
- ৯.৩.৪ ৰত্নাকৰ কন্দলি
- ৯.৩.৫ ৰত্নাকৰ মিশ্র
- ৯.৩.৬ নাৰায়ণ দাস ঠাকুৰ আতা
- ৯.৩.৭ চান্দসাই
- ৯.৩.৮ দামোদৰদেৱ
- ৯.৩.৯ হৰিদেৱ

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৭ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ পৰিচয় লাভ কৰাৰ লগতে তেওঁলোকৰ সাহিত্যকর্মৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব
- শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ সাহিত্যৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- এই যুগৰ সাহিত্যিকসকলে মহাপুৰুষ দুজনাৰ পদাঙ্ক কিদৰে অনুসৰণ কৰিছে তাৰ সম্যক জ্ঞান লাভ কৰিব
- শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ ৰচনাৰ মান আৰু ৰচনাশৈলীৰ সাধাৰণ পৰিচয় লাভ কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি শঙ্কৰী যুগৰ সাহিত্য সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে। এই অধ্যায়ত আপুনি শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ সাহিত্যৰ বৈশিষ্ট্য, তেওঁলোকৰ সাহিত্যৰ

ধাৰা আৰু সেই ধাৰালৈ সার্বভৌম ভট্টাচার্য, কংসাৰি কায়স্থ, শ্রীধৰ কন্দলি, ৰত্নাকৰ কন্দলি, নাৰায়ণ দাস ঠাকুৰ আতা, চান্দসাই, দামোদৰদেৱ, হৰিদেৱ আদি সকলৰ অসমীয়া সাহিত্যলৈ অৱদান আৰু মহাপুৰুষ দুজনাৰ সাহিত্যৰ ধাৰাটো কিদৰে বহন কৰিছে অথবা কিদৰে নতুনত্বৰ সৃষ্টি কৰিছে সেই বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

৯.৩ শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকল

৯.৩.১ সার্বভৌম ভট্টাচার্য

গুৰু চৰিত কথা অনুসৰি প্রাগ্‌জ্যোতিষৰ সার্বভৌম ভট্টাচার্যক মহাপুৰুষ শঙ্কৰদেৱৰ সমসাময়িক আৰু শিষ্য ৰূপে জানিব পৰা যায়। অৱশ্যে অইন *গুৰু চৰিতত*, যেনে— দৈত্যাৰি ঠাকুৰ, ভূষণ দ্বিজ, অনিৰুদ্ধ কায়স্থ আদিসকলৰ চৰিতত সার্বভৌম ভট্টাচার্য সম্পর্কে কোনো উল্লেখ পোৱা নাযায়। কবিগৰাকীৰ ৰচনা *ক্ষুদ্র-স্বর্গ* খণ্ডত আত্ম পৰিচয় সম্পর্কত উল্লেখ কৰিছে এইদৰে—

সার্বভৌম ভট্টাচার্য জ্যোতিষত সাৰ।
দেৱী উপাসক আছিলোহো দুৰাচাৰ।।
.....
শঙ্কৰৰ সঙ্গে বহু বাদক কৰিলো।
বাদে ভঙ্গ হুয়া শাস্ত্র পঢ়িবাক গৈলো।।
কাশী দেশে বিশ্বেশ্বৰ চক্রৱর্তী নাম।
চাৰিবেদ পঢ়িলোহো তৈতে অনুপম।।
.....
নামত শঙ্কৰ হৈব শূদ্র কুলে জাত।
ব্রহ্মা হৰ আদি দেৱো জন্মিব তথাত।।
লোকৰ তৰণ হেতু সন্ত মূর্ত ধৰ।
তাহাৰ চৰণে কৰোঁ শত নমস্কাৰ।।

সার্বভৌম ভট্টাচার্য সম্পর্কত সাহিত্য সমালোচক মহেশ্বৰ নেওগে এইদৰে কৈছে— "পুথি দুখনৰ মতে আৰু *কথা গুৰু চৰিতৰ* মতেও সার্বভৌম প্রাগ্‌জ্যোতিষৰ পাণ্ডিত্যগর্বী শাক্ত পণ্ডিত; পিছত তেওঁ শ্রীমন্ত শঙ্কৰৰ ওচৰত শৰণ লয়। বহুতো অমূল্য প্রামাণ্যৰ বোজা আৰু শঙ্কৰদেৱৰ লগত তর্ক কৰা লোক এজনে জানিব নোৱাৰা পিছৰ কালৰ কথাৰ উৎপ্রেক্ষাই এই চৰিতমূলক পুথি দুখনৰ ওপৰত গভীৰ সন্দেহৰ ছাঁ পেলায়।"

সার্বভৌম ভট্টাচার্য ৰচিত দুখনি পুথি হ'ল— *সৰু বা ক্ষুদ্র স্বর্গখণ্ড* আৰু *বৰ স্বর্গখণ্ড*।

সৰু বা ক্ষুদ্ৰ স্বৰ্গখণ্ড ঃ এই পুথিখনৰ জৰিয়তে সাৰ্বভৌম ভট্টাচাৰ্যই শঙ্কৰদেৱৰ মাহাত্ম্য প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰা কথা কৈছে। ২৯০টা পদযুক্ত এই পুথিখনি আৰম্ভ হৈছে শঙ্কৰ বৰ্ণনাৰে— "শ্ৰীমন্ত শঙ্কৰ সান্ত মূৰ্তি অৱতাৰ/তোমাৰ চৰণে কৌটি কৌটি নমস্কাৰ।।" (পদ-১) কলি কালত নামধৰ্মৰ মাহাত্ম্য আৰু শঙ্কৰদেৱ হ'ল পৰমেশ্বৰৰ সাক্ষাৎ অৱতাৰ এই কথা সিদ্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। এই প্ৰমাণ সিদ্ধ কৰিবলৈ যাওঁতে তেওঁ *পদ্ম পুৰাণৰ স্বৰ্গখণ্ড, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, যোগিনী তন্ত্ৰ, সাত্বত-তন্ত্ৰ, দীপিকা চন্দ্ৰ, স্বৰদোষ* (জ্যোতিষ-গণনাৰ প্ৰখ্যাত গ্ৰন্থ), *বশিষ্ঠ সংহিতা, অগস্তি সংহিতা, বিষ্ণু সংহিতা, বিষ্ণু ধৰ্মোত্তৰ* প্ৰভৃতি গ্ৰন্থৰ উদ্ধৃতি দিছে। অৱশ্যে এই গ্ৰন্থসমূহৰ উদ্ধৃতি গ্ৰহণযোগ্য হ'ব নোৱাৰে, কাৰণ এই গ্ৰন্থসমূহৰ লগত গুৰুজনাৰ কোনো সম্পৰ্ক নাই। সাৰ্বভৌম ভট্টাচাৰ্যৰ উদ্দেশ্য ফলৱতী নহ'লেও এই পুথিখনৰ গুৰুত্ব অসমীয়া সাহিত্যত নিশ্চয়কৈ বিৰাজমান।

বৃহৎ স্বৰ্গখণ্ড ঃ সাৰ্বভৌম ভট্টাচাৰ্যৰ দ্বিতীয়খন গ্ৰন্থ *বৃহৎ স্বৰ্গখণ্ড* ৪৪৯টা পদত সম্পূৰ্ণ। এই গ্ৰন্থখন 'কামৰূপ অনুসন্ধান সমিতি' গ্ৰন্থাগাৰত সংৰক্ষিত হৈ আছে। গ্ৰন্থখনিৰ প্ৰথমৰ কিছু অংশ *ব্ৰহ্মবৈৱৰ্ত্য পুৰাণৰ* পৰা চয়ন কৰা। এই গ্ৰন্থখনিত ৰাধা আৰু কৃষ্ণৰ প্ৰেমৰ চিত্ৰ কিছু অন্য ৰূপত প্ৰকাশ পাইছে। গ্ৰন্থকাৰে বৃন্দাবন আৰু গোলোক বৈকুণ্ঠ ধামত ৰাধাই শ্ৰীকৃষ্ণৰ অবিবাহিত প্ৰেমিকাৰ ৰূপত প্ৰকট হৈ উঠিছে। পুথিখনিত 'ব্ৰহ্মাণ্ডৰ শান্ত ৰূপ আৰু পৃথিৱীৰ ওপৰত থকা শান্তনু কনক দণ্ড, ব্ৰহ্মবিলাস, অম্বৰু বিলাস, বিচিত্ৰ বিলাস, পঙ্কজ বিলাস আৰু গোলোক নামৰ সপ্ত বৈকুণ্ঠৰ বৰ্ণনা আছে।' শঙ্কৰী যুগৰ অন্য কবিৰ ৰচনাত এনে বৰ্ণনা পোৱা নাযায়। এই গ্ৰন্থখনিতো সাৰ্বভৌম ভট্টাচাৰ্যই গুৰু শঙ্কৰদেৱৰ মহিমা স্পষ্টভাৱে প্ৰকাশ কৰিছে। তেৰাৰ শিষ্য ৰূপে ব্ৰাহ্মণ, গ্ৰহবিপ্ৰ ক্ষত্ৰিয় লোকো আছিল। গুৰুজনাই কেৱল বৰ অসমতে সমাদ্ৰিত হৈ নাথাকি সমগ্ৰ উত্তৰ ভাৰততে নিজ বাসস্থান ৰূপে কটাইছিল। গ্ৰন্থকাৰৰ মতে শ্ৰীমন্ত শঙ্কৰ শ্ৰীকৃষ্ণৰ পূৰ্ণ অৱতাৰ।

৯.৩.২ কংসাৰি কায়স্থ

কংসাৰি কায়স্থ মাধৱদেৱৰ থানত আছিল বুলি মহেশ্বৰ নেওগে দৃঢ় মত পোষণ কৰিছে। কবিগৰাকীৰ সম্পৰ্কত বিশেষ সমল পোৱা নাযায় যদিও সাহিত্যৰ বুৰঞ্জী ৰচয়িতাসকলে তথ্য প্ৰমাণৰ দ্বাৰা কিছু তথ্য সংগ্ৰহ কৰিছে। এই তথ্য অনুসৰি কংসাৰি কায়স্থ বিখ্যাত মহাভাৰতীয় কবি ৰাম সৰস্বতীৰ সমসাময়িক; তেওঁ কামৰূপৰ অগ্ৰগণ্য ব্যক্তি, গোপালৰ সেৱক যশচন্দ্ৰ খৰি বংশৰ লোক। কংসাৰি কায়স্থক পীতাম্বৰ কায়স্থ বুলিও জনা যায়। কবিজনাই শ্ৰীমন্ত গাভৰু খাঁৰ আজ্ঞামতে *মহাভাৰতৰ* পদ ৰচনা কৰিছিল। *মহাভাৰতৰ* কবি ৰাম সৰস্বতীৰ ৰচনাত কংসাৰি কায়স্থ সম্পৰ্কে এনেদৰে জনা যায়—

ৰাম সৰস্বতী নাম নৃপতি দিলন্ত।
ভাৰতৰ পদ কৰা মোক বুলিলন্ত।।
কংসাৰি প্ৰমুখ্যে কবি আছে যত যত।
সিসবেয়ো পদচয় কৰিলা পাচত।।

সাহিত্যৰ বুৰঞ্জী ৰচয়িতাসকলে অসম আৰু বৰ্তমান বাংলাদেশৰ ৰংপুৰত পোৱা তথ্য অনুযায়ী এই কবিগৰাকীয়ে *মহাভাৰতৰ* বনপৰ্বৰ অন্তৰ্গত কিৰাত অনুপৰ্ব তথা বিৰাট পৰ্বৰ অন্তৰ্গত দক্ষিণ গোগ্ৰাহৰ পদ কৰিছিল।

কিৰাত অনুপৰ্ব ঃ কিৰাত অনুপৰ্বৰ বিষয়বস্তু হ'ল স্বৰ্গত ইন্দ্ৰৰ অধীনত অৰ্জুনৰ অস্ত্ৰবিদ্যা লাভ, তেওঁৰ দ্বাৰা নিবাত, কবচ, কালকেয়ী, পুলোমা আদি দৈত্য বধ তথা কিৰাতবেশী শিৱক পৰাভূত কৰি পশুপাত অস্ত্ৰ লাভ আদি। কবি কংসাৰি কায়স্থ এগৰাকী সুকবি আছিল। কিৰাত অনুপৰ্বৰ ভাঙনিত তেওঁৰ কুশল হৃদয় আৰু জনপ্ৰিয়তাৰ প্ৰমাণ বিদ্যমান। কিৰাত অনুপৰ্বৰ আৰম্ভণিত তেওঁ বৰ্ণাইছে—

শ্ৰীকৃষ্ণায় নমঃ
শ্ৰীজয়ৰ্নমো কৃষ্ণদেৱ জনার্দন।
ভকত জনৰ প্ৰভু দুৰ্গতি তাৰণ।।
সহস্ৰেক বাৰেহো কৰো নমস্কাৰ।
দিয়োক সুমতি প্ৰভু কৰিবো পয়াৰ।।
ভাৰত কাহিনী যিটো শুনে প্ৰতি নিত।
*যমে বোলে দূত তাৰ নাযাইবি সমীপ।।*ইত্যাদি

দক্ষিণ গোগ্ৰাহ আৰু উত্তৰ গোগ্ৰাহ ঃ *মহাভাৰতৰ* বিৰাট পৰ্বৰ দক্ষিণ গোগ্ৰাহ আৰু উত্তৰ গোগ্ৰাহৰ ভাঙনিৰ জৰিয়তেও সুকবি কংসাৰি কায়স্থই নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। পুথিখনত প্ৰথম ভাগত তেওঁ কৌৰৱৰ দ্বাৰা বিৰাট ৰাজ্য আক্ৰমণ আৰু গো-হৰণৰ প্ৰচেষ্টা আৰু দ্বিতীয় ভাগত অৰ্জুনে কৌৰৱক পৰাস্ত কৰি কিদৰে গৰুবোৰ উদ্ধাৰ কৰিছিল, তাৰ সুন্দৰ বিৱৰণ দাঙি ধৰিছে।

কংসাৰি কায়স্থই তেওঁৰ ৰচনাৰ মাজে মাজে নিজকে সুকবি বুলি উল্লেখ কৰাৰ পৰা অনুমান কৰিব পাৰি যে পদ ৰচনাত তেওঁ যথেষ্ট সাফল্য লাভ কৰিছিল। যুদ্ধৰ বৰ্ণনাৰ ক্ষেত্ৰত তেওঁ শঙ্কৰী যুগৰ অইন কবিসকলৰ সমতুল্য আছিল। কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত হোৱা যুদ্ধৰ বিৱৰণ কবি গৰাকীয়ে এইদৰে দিছে—

কপিলা পৃথিৱীখন পাতাল পৰ্য্যন্তে।
ডৰে জীৱজন্তু বোলে মিলিল যুগান্তে।।
বানৰধ্বজগোট তেজিলা আটাস।
শৰদে পুৰিলা মহী গগন আকাশ।।

বীৰগণে কানাকানি কৰে জুমাজুমি।
মহাৰথীগণসৱে কৰে মুণ্ডঘুসি।।
ৰক্তঘোৰ সম শুনি ধনুৰ টঙ্কাৰ।
মহাভয় লাগি গৈলা কৌৰৱী সেনাৰ।।(পদ ২০৪-৬) ইত্যাদি

কৌৰৱ আৰু পাণ্ডৱ পক্ষৰ এনে তেজোদীপ্ত বৰ্ণনাৰ পৰা কবিৰ সুদক্ষ হাতৰ স্বাক্ষৰ বহন কৰিছে। অসমীয়া মহাভাৰতীয় কবিসকলৰ ভিতৰত কংসাৰি কায়স্থৰ নামো উজ্জ্বল হৈ থাকিব।

৯.৩.৩ শ্রীধৰ কন্দলি

কবি শ্রীধৰ কন্দলি সম্পর্কে বিশেষ কথা জনা নাযায়। ভাষাবিদ, সাহিত্য সমালোচক বাণীকান্ত কাকতিয়ে লিখিছে যে বৈষ্ণৱ কবি শ্রীধৰ কন্দলি শঙ্কৰদেৱৰ সমসাময়িক আৰু তেওঁৰ প্রিয়পাত্র আছিল। সাহিত্য সমালোচক সত্যেন্দ্রনাথ শর্মাই কবি অনন্ত কন্দলিক শঙ্কৰদেৱৰ সমসাময়িক নহ'লেও বেছি পিছৰ নহয় বুলি কৈছে আৰু মহেশ্বৰ নেওগেও কবিজনাৰ সময় ১৬-১৭ শতিকা বুলিছে।

কন্দলিৰ ভণিতা থকা পুথিকেইখন হ'ল— *কাণখোৱা, ঘুনুচা কীর্ত্তন, অশ্বমেধ পর্ব*আৰু *কানাই ধেমেলীয়া*। অৱশ্যে এই কেওখন পুথিৰ ৰচক একেজন হয় নে নহয় সেই লৈ সন্দেহৰ স্থল আছে। তথাপি *কাণখোৱা* আৰু *ঘুনুচা কীর্ত্তন* পুথি দুখন শ্রীধৰ কন্দলিৰ বুলি নিশ্চিত হ'ব পাৰি।

কাণখোৱা ঃ শ্রীধৰ কন্দলিৰ এই গ্রন্থখন এখন মৌলিক গ্রন্থ। ভাষাবিদ আৰু সাহিত্য সমালোচক বাণীকান্ত কাকতিয়ে এই গ্রন্থখনি সম্পর্কে মতামত দিছে এইদৱে— "বৈষ্ণৱ কবিৰ অন্তর্মুখী কল্পনাৰ মনোৰম ৰচনা। ই অতিশয় মনোমোহা, সৰল অথচ নিৰুপম কৌশলপূর্ণ। ইপিনে ইয়াত শিশু-জীৱনৰ নিকপটীয়া প্রাণৰ প্রতিবিম্ব পৰিছে, আনপিনে প্রশান্ত ভক্তি ভাব পূর্ণচন্দ্রৰ নিচিনাকৈ বিৰাজ কৰিছে।"

কাণখোৱা পুথিখনৰ বিষয়বস্তু কানাই অর্থাৎ শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ মনোৰম চিত্র নিচুকনি গীতৰ মাজেৰে প্রকাশ পাইছে। শিশুক টোপনি নিয়াবলৈ মাক অথবা ধাইয়ে কৰা প্রচেষ্টাৰ ফলস্বৰূপে সৃষ্টি হয় নিচুকনি গীত। বিশ্বৰ সকলো দেশতে শিশুক শুৱাবলৈ নিচুকনি গীত গোৱাৰ ৰীতি আছে। শিশুক ভয় খুৱাবলৈ বাস্তৱ অথবা কাল্পনিক ভয়াৱহ জীৱ-জন্তুৰ নাম লোৱা হয়, যাতে তাৰ সোনকালে টোপনি আহে। মাতৃ যশোদা দেৱীয়ে এদিনাখন পুত্র কানাইক শুৱাবলৈ লৈ কাণখোৱাৰ কথা কৈ নিচুকনি গীত গাবলৈ ধৰিলে—

"ঘুমতি যায়োৰে অৰে কানাই
হুৰে কাণখোৱা আসে
সকল শিশুৰ কাণ খাই খাই
আসয় তোমাৰ পাশে।।"

নিচুকনি গীতটোৰ এই বিষয়বস্তু *ভাগৱত, হৰিবংশ* আদি মূল গ্ৰন্থত অনুৰূপ কোনো ঘটনাৰ উল্লেখ নাই। সেয়েহে কবিতাটি নিত্যান্তই মৌলিক বুলি বাণীকান্ত কাকতিয়ে মত পোষণ কৰিছে।

কাণখোৱা নাম শুনি শিশু কৃষ্ণই ভয় খালে যদিও মাক ওচৰত থকা হেতুকে কৌতুকপূৰ্ণ হাঁহি এটি মাৰি ভীত-বিহ্বলভাৱে মাকক সুধিলে—

"মাৱৰ বচন শুনি পাশ চাপি
হাসিয়া বোলে কানাই।
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনোৱা হাৱলী আই।।"

শ্ৰীকৃষ্ণ প্ৰকৃততে এই ব্ৰহ্মাণ্ডৰ গৰাকী, পৰম ব্ৰহ্ম; আনহাতে, মাকৰ দৃষ্টিত এটি সাধাৰণ মানৱ শিশু যিয়ে কাণখোৱাৰ নাম শুনি ভয়ত কম্পমান হৈ পৰিছে। ঈশ্বৰৰ এই দুয়োটা দিশৰ চিত্তাকৰ্ষক বৰ্ণনা চিত্ৰিত হৈছে শ্ৰীধৰ কন্দলিৰ *কাণখোৱা* নামৰ কবিতাটিত।

শিশু কৃষ্ণই কাণখোৱাৰ সন্ধান কৰি তেওঁৰ বিগত অৱতাৰবোৰৰ স্মৰণ কৰিবলৈ আৰম্ভ কৰিলে—

"অনাদি-স্বৰূপে জগত সৃজিলো
চৰাচৰ ভেদ কৰি।
সমস্তে জগত প্ৰতিপাল কৰি
আত্মা-ৰূপে আছো ধৰি।।
ব্ৰহ্মা মহেশ্বৰ আদি কৰি যত
সমস্তে মোৰ সৃজনা।
মই নাজানিলো সিটো কাণ-খোৱা
সৃজিলেক কোনজনা।।"

কৃষ্ণ ৰূপী ঈশ্বৰে তেওঁৰ যিমান অৱতাৰ হৈছিল, সেই সকলোবোৰকেই মনত সুঁৱৰিব ধৰিলে। তেওঁৰ নানান অৱতাৰত নানান দৈত্য, দানৱ আদিৰ লগত সংঘৰ্ষ হৈছে। কিন্তু কাণ-খোৱা বীৰৰ কথা কেতিয়াও শুনা নাই। এই সকলো অৱতাৰৰ ভিতৰত মৎস্য, কুৰ্ম, ৱৰাহ, নৰসিংহ, বামন, পৰশুৰাম, ৰাম, হলিৰাম আদি ৰূপ ধৰাৰ সময়তো তেওঁ ক'তো কাণ-খোৱাৰ শুং-সূত্ৰ বিচাৰি নাপাই পুনৰ মাকক প্ৰশ্ন কৰিলে—

"আসিয়া ইবাৰ কৃষ্ণ অৱতাৰ
হুয়া আছো তযু ঘৰে।
কাণ-খোৱা নাম শুনি মোৰ গাৱ
তৰতৰি কম্পে ডৰে।।

ঘুমতিৰ ছলে নিচুকিয়া মই
চকু মেলি থাকো চাই।
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনায়োক মোক আই।।"

পুত্ৰ কৃষ্ণৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মাক যশোদাই অপাৰগ হৈ মুখৰ মাত হৰিল। সন্তান প্ৰেমত আকুল হৈ 'মিছাসে বুলিয়া / মুখে তন দিলা / কৃষ্ণক সাৱটি ধৰি।'

কাণখোৱাৰ দ্বিতীয়টো কবিতাৰ বিষয়বস্তু হ'ল— মাতৃ যশোদাই শিশু কৃষ্ণক টোপনিৰ পৰা জগোৱা আৰু কৃষ্ণৰ মুখেৰে শুনা আশ্চৰ্য, অদ্ভুত, প্ৰাণস্পৰ্শী বৰ্ণনা। মাতৃ যশোদাই মৰমেৰে পুত্ৰক জগাবলৈ ধৰিলে—

"উঠিও কৃষ্ণাই হাৰলি বোপাই
ৰোষ-তাপ ত্যাজি মনে।
পুহাইল ৰজনী উঠা যদুমণি
বুলি মাতে শিশুগণে।।"

জগাবলৈ চেষ্টা কৰা মাকৰ কথাত ক্ৰোধিত হৈ কৃষ্ণই উত্তৰ দিলে—

মই নাৰায়ণ জগত কাৰণ
তুমি গোৱালৰ ঝীয়।
তথাপি তোমাক দেখন্তে ডৰত
উৰি যায় মোৰ জীৱ।।

পৰম পুৰুষ নাৰায়ণে অনন্ত শয্যাত শয়ন কৰি নিজৰ নাভিকমলৰ পৰা ব্ৰহ্মাক সৃজন কৰাৰ উপৰি হংস ৰূপে স্বৰ্গ কঁপাই সিদ্ধ-মুনি সকলোকে তত্ত্বজ্ঞান বুজাই পৰম ভক্তিভাজন হৈছিল, অথচ সেইজন ঈশ্বৰে যশোদাৰ ঘৰত বিভিন্ন তিৰস্কাৰ সহ্য কৰিব-লগীয়া হৈছে। যশোদাই তেওঁক 'বিগুটীয়া', 'কলীয়া', 'দধিচোৰ', 'মাটি খোৱা চোৰ' আদি কৈ ভেঙুচালি কৰে। অথচ সেইগৰাকী মাতৃ যশোদাক লোকে 'কাঠবাজী' বুলি হাঁহিছিল। যশোদাৰ সেই দুখ আঁতৰ কৰিবলৈ পুত্ৰ ৰূপে অৱতাৰ ধৰি তেওঁৰ ঘৰত গৰু চৰাই 'কৰকৰা ভাত খাই' সীমাহীন কষ্ট পাইছে। তেওঁৰ মাতৃ কেনে নিৰ্দয়াঙ্গ পুত্ৰৰ এনে বুকু ভেদি যোৱা অভিযোগ শুনি নিজকে কৃষ্ণৰ ওচৰত সম্পূৰ্ণ আত্মসমৰ্পণ কৰি অনুৰোধ জনালে—

"মই অভাগীৰ ইবাৰ দোষক
মৰষিও বনমালী।
আনকালে যদি মোৰ দোষ দেখা
পাৰিবাহা মোক গালি।।"

শিশু কৃষ্ণৰ মনৰ কামনা পূৰণ হোৱাত মাতৃৰ কোলাত উঠি স্তন পিবলৈ ধৰিলে।

সহজ-সৰল দুলড়ি ছন্দত ৰচিত *কাণখোৱাৰ* ৰচনা কৌশল অতি নিৰূপম। 'পৰমাৰ্থ হিচাপে বিচাৰ কৰিলে শ্ৰীকৃষ্ণ পূৰ্ণব্ৰহ্ম অথচ মায়াত অৱতীৰ্ণ। সেই দেখি পূৰ্ণ

জ্ঞান থাকিলেও মায়াত অৱৰুদ্ধ বুলি তেওঁৰ মনুষ্যসুলভ ভয় আছে। নির্মুক্ত পূর্ণব্রহ্ম বুলি জ্ঞানৰ বিচাৰ আছে, কিন্তু মায়াৰ গুণত ভয়ৰ সুৰ বিকম্পিত হৈ উঠে।' নিচুকনি গীতৰ এনে উদাহৰণ বিশ্বৰ সকলো সাহিত্যতে অতি বিৰল।

ঘুনুচা-কীর্ত্তন ঃ শ্রীমন্ত শঙ্কৰদেৱৰ কিছু সংখ্যক হাতেলিখা পুথিৰ অন্তত *ঘুনুচা-কীর্ত্তনৰ* সংযোজন দেখিবলৈ পোৱা যায়। হৰিবিলাস আগৰৱালাৰ ছপা *কীর্ত্তন* পুথিতো *ঘুনুচা-কীর্ত্তনৰ* সংযোজন হৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে— 'সি বাস্তৱিক *কীর্ত্তনৰ* ভিতৰত সোমাবৰ উপযুক্ত নহয়। তাৰ ৰচনা প্রণালী *কীর্ত্তনতকৈ* তল খাপৰ। তাৰ বাহিৰেও *কীর্ত্তনৰ* প্রধান লক্ষণেৰে সি বিৰর্জিত।' শ্রীধৰ কন্দলিয়ে 'জগন্নাথ পু�ৰাণৰ কথা বিতোপন' লৈ তাত 'আন শাস্ত্রমত আনি মিশ্র কৰি' সাতটা *কীর্ত্তনত* মুঠ ১৭৭টা পদেৰে ঘুনুচা যাত্রাৰ *কীর্ত্তন* লিখিছে। অৱশ্যে জগন্নাথ পুৰাণৰ সবিশেষ এতিয়ালৈ উদ্ধাৰ হৈছে বুলি জনা নাযায়। কিছু সংখ্যক সমালোচকৰ মতে *স্কন্দ পুৰাণৰ* উৎকল খণ্ডই *ঘুনুচা-কীর্ত্তনৰ* মূল হ'ব পাৰে বুলি অনুমান কৰে। কিয়নো পুথিখনত 'গুণ্ডিচা-যাত্রা' আৰু 'গুণ্ডিচাৰ আখ্যান' পোৱা যায়। পুথিখনিত বর্ণিত হৈছে— শ্রীকৃষ্ণই ইন্দ্রদ্যুম্নৰ ৰূপৱতী জীয়ৰী ঘুনুচাৰ ঘৰলৈ যোৱাত ৰুক্মিণীৰ ঈর্ষা, খং-অভিমান হৈছে। এনে আমোদজনক বর্ণনাৰে পুথিখনিৰ চমকপদ পৰিসমাপ্তি ঘটাইছে, যাৰ ফল স্বৰূপে পুথিখনে অসমীয়া জনমানসত বিশেষ গুৰুত্ব লাভ কৰিছে।

কানাই ধেমেলীয়া ঃ শ্রীধৰ কন্দলিৰ ভণিতাযুক্ত অইন এখনি পুথি হ'ল *কানাই ধেমেলীয়া*। ৰাধা হৰণৰ সময়ত শ্রীকৃষ্ণই বাটত ঘিলা খেলি চাতুৰী কৰি ৰাধাৰ গালৈ ঘিলা মাৰি তেওঁক চুৰুণী সজাই নানা লটি-ঘটি কৰাৰ বিৱৰণ আছে। এই গ্রন্থখনৰ ভাষা অর্বাচীন আৰু নিম্ন ৰুচিৰ হোৱা বাবে এই পুথিখনৰ ৰচয়িতাক *কাণখোৱাৰ* ৰচয়িতা একেজন ব্যক্তি নহয় বুলি ভবা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সার্বভৌম ভট্টাচার্য, কংসাৰি কবি আৰু শ্রীধৰ কন্দলিৰ দ্বাৰা ৰচিত পুথিসমূহৰ বিষয়ে এটি প্রবন্ধ লিখক।

(১৫০-৩০০টা শব্দৰ ভিতৰত লিখক।)

৯.৩.৪ ৰত্নাকৰ কন্দলি

কবি ৰত্নাকৰ কন্দলি মহাপুৰুষ শঙ্কৰদেৱৰ এজন ব্রাহ্মণ শিষ্য। মহেশ্বৰ নেওগৰ মত অনুসৰি জনা যায় যে তেওঁ বেলগুৰিত মহাপুৰুষীয়া ধর্ম গ্রহণ কৰিছিল। সত্রত মাঘ মহীয়া মূল *গীতা* পাঠ আৰু ব্যাখ্যা কৰা এওঁৰ কাম আছিল। ৰত্নাকৰ কন্দলিৰ নামৰ উল্লেখৰ সময়ত 'কবিশেখৰ' আৰু 'দ্বিজ কবিশেখৰ' বুলি তেওঁৰ কাব্যত উল্লেখ আছে।

দৈত্যাৰি ঠাকুৰৰ চৰিত পুথিত উল্লেখ কৰিছে যে— তেওঁ শঙ্কৰদেৱৰ আন এজন ব্ৰাহ্মণ শিষ্য ব্যাসকলাইৰ লগ লাগি নিতৌ *গীতা* পাঠ আৰু ব্যাখ্যাদি কৰিছিল, শঙ্কৰদেৱ আৰু মাধৱদেৱে তেওঁলোকৰ শিষ্য সমন্বিতে ব্ৰহ্মপুত্ৰৰ তীৰৰ বালিত বহি কবি গৰাকীৰ *গীতা* পাঠ আৰু ব্যাখ্যা শুনিছিল। কবি কন্দলিয়ে ৰচনা কৰা পুথি হ'ল— *কীৰ্ত্তন* পুথিৰ অন্তৰ্গত বিষ্ণুৰ সহস্ৰ নাম বৃত্তান্ত। পুথিখন দুটা ঘোষা আৰু ৭৭টা পদত সমাপ্ত হৈছে। কবিয়ে পুথিখনৰ বিষয়বস্তু *পদ্মপুৰাণৰ* পৰা অনা বুলি উল্লেখ কৰিছে। ইয়াত হৰিভক্তিৰ মহিমা প্ৰচাৰ কৰিবলৈ তেওঁ হৰৰ দ্বাৰা হৰিৰ নাম লোৱাইছে। পুথিখনৰ প্ৰাৰম্ভতে কবিয়ে আত্মনিন্দা কৰিছে এইদৰে—

"কৰ্ণ দুই আছে নুশুনিলো হৰি কথা।
দুগোটা গৰ্ভৰ ভাৰ বহিলেহো বৃথা।।
জিহ্বা মোৰ আছন্তে নলৈলো ৰাম নাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম।।
নেদেখিলো নয়নে প্ৰভুৰ যেন ৰূপ।
সম্যকে জানিলো দুয়ো আমি অন্ধকূপ।।" ইত্যাদি

"বিষয়বস্তু আৰু ৰচনা সৌষ্ঠৱ, দুই ফালৰ পৰাই কন্দলিৰ *কীৰ্ত্তন* খণ্ড প্ৰকৃততে *কীৰ্ত্তন ঘোষাৰ* শাৰীৰ বস্তু হৈছে।"

ৰত্নাকৰ কন্দলি নামৰ আৰু এজন কবিৰ নাম পোৱা যায়। এই গৰাকী মহাৰাজ নৰনাৰায়ণৰ সভাকবি আছিল। এওঁ *সাৰ দীপিকা* নামেৰে জয়দেৱৰ *গীতাগোবিন্দৰ* এটি টীকা ৰচনা কৰিছিল।

৯.৩.৫ ৰত্নাকৰ মিশ্ৰ

ৰত্নাকৰ মিশ্ৰ আৰু ৰত্নাকৰ কন্দলিক একেজন ব্যক্তি বুলি সাব্যস্ত কৰা হৈছে। সমালোচকে *ব্ৰহ্মগীতা* আৰু *গীতা-কীৰ্ত্তনৰ* ৰচক ৰত্নাকৰ মিশ্ৰৰ ৰচনা ৰীতি অৰ্থাৎ সহস্ৰ নাম বৃত্তান্ত আৰু *গীতা-কীৰ্ত্তন* দুয়োখনি *কীৰ্ত্তনৰ* আদৰ্শত ৰচনা কৰা। সহস্ৰ নাম বৃত্তান্তত কবিয়ে সুকবি শেষৰ অথবা দ্বিজ কবিশেখৰ ৰূপেও ভণিতা দিছে আৰু অনুৰূপ ভণিতাযুক্ত (আনন্দে ৰচিলা কবি সুকবি শেখৰ) *ধৰ্মনাৰায়ণ সংবাদ* নামৰ আন এখনি পুথিৰ উল্লেখ সাহিত্যৰ বুৰঞ্জীত পোৱা যায়। ৰত্নাকৰ মিশ্ৰ আৰু ৰত্নাকৰ কন্দলি দুজন ভিন্ন ব্যক্তি বুলিও প্ৰতিপন্ন হৈছে। এইখিনিতে উল্লেখযোগ্য যে ৰত্নাকৰ মিশ্ৰ ৰচিত *ব্ৰহ্মগীতা* আৰু *গীতা-কীৰ্ত্তনৰ* একোছোৱা হেমচন্দ্ৰ গোস্বামী সম্পাদিত অসমীয়া সাহিত্যৰ চানেকিত অন্তৰ্ভুক্ত হৈছে।

ব্ৰহ্মগীতাৰ মূল গ্ৰন্থ হ'ল *স্কন্দপুৰাণ*। এই পুথিখনিতো কথাবস্তু শ্ৰীকৃষ্ণৰ মুখেদি ব্যক্ত কৰা দেখুৱাইছে। অৰ্জুনৰ প্ৰশ্ন আৰু শ্ৰীকৃষ্ণৰ উত্তৰেৰে বিষয়বস্তু আগবঢ়াই নিছে এইদৰে—

"অর্জুনে বোলন্ত শুনা প্রভু নাৰায়ণ।
নামৰ মহিমা-তত্ত্ব কহিও কাৰণ।।
* * *
কিমত উত্তম নাম কিমত বিশ্বাস।
নমো যোগেশ্বৰ প্রভু কৰিও প্রকাশ।।
* * *
যোগী বা সন্ন্যাসী ব্রহ্মচাৰী দিগম্বৰ।
সবাকে এৰিয়া কৰা নামক বিচাৰ।।"

ব্রহ্মগীতাৰ বিষয়বস্তু হ'ল—ব্রহ্ম সত্য, জগৎ মিছা—এই পৰম প্রকাশ। *গীতা-কীর্ত্তন* পুথিখনি ৰচনা কৰা হৈছে— নিত্য প্রসঙ্গৰ প্রয়োজন পূর্তিৰ বাবে আৰু ইয়াৰ প্রতিটো অধ্যায় আৰম্ভ হৈছে একোটি ঘোষাৰে, এইদৰে—

ক) ঘোষা— *পায়ে পৰো যদুদেৰ কহিও উপাই।*
বিৰহ বেদনা দুখ সহন নমাই।।
পদ— *বহুতৰ লোকে যাক কৰে বহু মান।*
তাহাৰ দুর্যশ মৰণত কৰি টান।
ভয়ে তুমি পলাই যাহা বুলিবেক লোক।। আদি

খ) ঘোষা— *ৰাম হৰি সংসাৰ ভয় খণ্ডিয়ো কৰুণাময়*
চৰণে শৰণ লৈলো বাপ।
তোমাৰ নুশুনি কথা বিষয় কৰিলো বেথা
হৃদয়ে নখণ্ডে সদ্য তাপ।।
পদ— *অর্জুনে বোলন্ত স্বামী তোমাৰ বাক্যত আমি*
ভালমতে নুবুজিলো মর্ম।
জ্ঞান বর্গ ধৰি আতি মোহময় বান্ধ কাটি
পাছে কিয় আচৰিত ধর্ম।।
কর্মযোগ পৰিহৰি জ্ঞানযোগ তুলি ধৰি
মনে যেবে দেখা শ্রেষ্ঠতৰ।
কাটল চিঙ্গল কর্ম ক্ষেত্রিয়ৰ নিজ ধর্ম
বুলি মোকে পাঞ্চা দামোদৰ।। আদি

গীতাৰ দৰে তত্ত্বগধুৰ পুথি এখনৰ কীর্ত্তনীয় ৰূপদানত ৰত্নাকৰ মিশ্রৰ কুশল হস্তৰ পৰিচয় নিত্যান্তই প্রশংসনীয়।

৯.৩.৬ নাৰায়ণ দাস ঠাকুৰ আতা

১৪৯৫ চনত নাৰায়ণ দাসৰ জন্ম হয়। এওঁৰ পিতৃয়ে দিয়া নাম আছিল ভবানন্দ। উত্তৰ গুৱাহাটীৰ নিজৰ ঠাইৰ পৰা আহি মানাহ আৰু চাউলখোৱা সঙ্গমৰ নামানগৰ বা

হালধীয়া গাঁৱত ঘৰ পাতি বসবাস কৰিবলৈ লয়। এসময়ত তেওঁ এজন চহকী সদাগৰ ৰূপে পৰিচিত হৈ পৰে। মহাপুৰুষ শঙ্কৰদেৱৰ সান্নিধ্যলৈ অহাৰ পিছত গুৰুজনাই এওঁৰ নাম ৰাখিলে নাৰায়ণ দাস আৰু পৰৱৰ্তী সময়ত তেওঁ 'ঠাকুৰ আতা' বুলি জনাজাত হয়।

নাৰায়ণ দাসে বেপাৰৰ বাবে ঘূৰি ফুৰা সময়তে ভাস্কৰ বিপ্ৰ নামৰ শঙ্কৰদেৱৰ শিষ্য এজনৰ মুখত গুৰুজনাৰ মাহাত্ম্য শুনিবলৈ পাই তেওঁৰ সান্নিধ্যলৈ অহাৰ উদ্দেশ্যে বৰপেটাৰ ওচৰৰ চূণপোৰা ওলায়গৈ। চূণপোৰাত নাৰায়ণ দাসে গুৰুজনাৰ ওচৰত শৰণ লৈ তেওঁৰ পৰম ভক্ত হৈ পৰে। তেওঁ ভালেমান লোকক শঙ্কৰদেৱৰ ওচৰত শৰণ দিয়াইছিল। গুৰুৰ প্ৰাণৰক্ষাৰ বাবেও তেওঁ নিজকে গৰমালিৰ হাতত ধৰা দিছিল। পিছত গৰমালিবিলাকে শাস্তি দি তেওঁক ভোটত বিক্ৰী কৰি দিছিল। শঙ্কৰদেৱৰ মৃত্যুৰ পৰৱৰ্তী সময়ত মাধৱদেৱৰ লগ লাগি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল।

নাৰায়ণ দাসে ধৰ্ম প্ৰচাৰৰ সমান্তৰালভাৱে সাহিত্য চৰ্চাতো হাত দিছিল। তেওঁৰ সাহিত্য কৰ্ম সৰহ নহ'লেও কিছুমান ভকতীয়া ফকৰা আৰু কিছু সংখ্যক গীত তেওঁৰ নামত পোৱা যায়। তেনে গীতৰ উদাহৰণ হ'ল—

উদ্ধৱ গোকুলে আইলা গৃহ চাড়ি গোপী ধাইলা
কুশলে কি আছে গোবিন্দই।
হামাৰ সঙ্গে পাতি ললা বিচুৰল কেনে নন্দবালা
মধু পায়া ৰহল মধাই।।

গুৰু-চৰিত কাব্যত পোৱা যায়— 'জয় জয় অনাদি শঙ্কৰ, মই তুৱা দাসকু দাস' শীৰ্ষক গীত নাৰায়ণ দাসে শঙ্কৰদেৱ, মাধৱদেৱ আৰু জয়ন্তিৰ মধাইৰ সৈতে লুইতেৰে ভটিয়াই গৈ থাকোতে শঙ্কৰদেৱৰ নিৰ্দেশ মতে বাটতে ৰচনা কৰিছিল। গীত শুনি শঙ্কৰদেৱে প্ৰশংসা কৰি ক'লে— 'নাৰায়ণ দাসৰ কবিতা নাঞ চপচপিয়া হল।'

৯.৩.৭ চান্দসাই

চান্দসাই মহাপুৰুষ শঙ্কৰদেৱৰ এজন মুছলমান শিষ্য আছিল। তেওঁৰ প্ৰকৃত নাম চান্দ খাঁ। চান্দসাই দৰ্জী আছিল। শঙ্কৰদেৱক লগ পোৱাৰ আগতে তেওঁ শঙ্কৰদেৱক নিন্দাহে কৰিছিল। শঙ্কৰদেৱে পাটবাউসীত থাকোতে তেওঁক এটা চোলা চিলাবলৈ দিছিল। পিছত চান্দ খাঁয়ে শঙ্কৰদেৱৰ সান্নিধ্যলৈ আহি তেওঁৰ মাহাত্ম্যত মুগ্ধ হৈ তেওঁত শৰণ লয়। চান্দসাই শঙ্কৰদেৱ সঙ্গত কটোৱা সময়ৰ বিৱৰণ চৰিত পুথিত পোৱা যায়। ৰামচৰণ ঠাকুৰৰ চৰিত পুথিত পোৱা মতে চান্দসাই শঙ্কৰদেৱৰ লগত বেহাৰতো আছিল। এবাৰ শঙ্কৰদেৱক শলঠেকত পেলাবলৈ তেওঁৰ ওচৰলৈ চাৰিজন বিপ্ৰ আহিছিল। চান্দসায়ে তেওঁলোকক দুটামান প্ৰশ্ন সোধাত তেওঁলোকে উত্তৰ দিব নোৱাৰি লজ্জিত হৈ আঁতৰি গৈছিল।

চান্দসাইৰ সাহিত্যকৃতি হিচাপে দুই এটি গীতহে পোৱা যায়। সান্দসাই সম্পর্কে মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* এইদৰে উল্লেখ কৰিছে— 'চান্দসাই (চান্দ খাঁ) দর্জীৰ কোনো লিখিত পুথি আছিল নে নাই, জনা নাযায়। পিছৰ যুগৰ বিখ্যাত আজান পীৰৰ জিকিৰৰ দৰে আৰু ৰচনা ৰীতিৰ ফালৰ পৰা জিকিৰৰ সমপর্যায়ৰ লোকগীতি বুলীয়া দুই এটি গীত সান্দসাইৰ নামে ভক্ত সমাজত আজিও চলি আছে। এওঁক কবীৰ বুলিছিল আৰু কবীৰৰ ভণিতা থকা দুই এটি গীতো একেদৰে অ'ত ত'ত লগ পোৱা যায়। চান্দসাইৰ গীতত 'ন'মিক কবিতাৰ সোৱাদ পোৱা যায়। চান্দসাইৰ গীতৰ নমুনা হিচাপে এটি গীত দাঙি ধৰা হ'ল—

"কিনো গীত গাইলি চান্দৰে বৰাই
কিনো গীত গাইলি চান্দে।
গঁতুৱা এন্দুৰৰ পাৱত পৰিয়া
বোন্দা মেকুৰীয়ে কান্দে।।
* * *
সাগৰৰ মাজৰ ঘোঁৰাৰ ঠক্‌ঠকি
নগৰত বুৰালে নাও
কহতু চান্দসাই এই গীত ৰচিলে
বুজা ভকতিৰ ভাও।।"

কথিত আছে যে নৰনাৰায়ণৰ ৰাজসভাত পণ্ডিতসকলৰ লগত বাদ লাগি যেতিয়া শঙ্কৰদেৱ জয়ী হৈছিল, তেতিয়াই চান্দসাইয়ে এই গীতটি ৰচনা কৰিছিল। আধ্যাত্ম্য ভাবেৰে পূর্ণ এই গীতটিৰে তেওঁ গুৰুজনাৰ একশৰণ নামধর্ম প্রচাৰ কৰিছিল।

৯.৩.৮ দামোদৰদেৱ

গুৰু দামোদৰদেৱ নৰবৈষ্ণৱ ধর্মৰ দামোদৰী পন্থৰ প্রৱর্তক ৰূপে জনা যায়। তেওঁৰ জন্ম আৰু ইহলীলা সম্ৱৰণৰ সময় ১৪৯০-১৫২০ শক। ধর্ম প্রৱর্তক ৰূপে পৰিচিত হ'লেও তেওঁ কেৱল ধর্ম প্রচাৰতে আবদ্ধ নাথাকি সাহিত্য ক্ষেত্রতো অনবদ্য অৱদান আগবঢ়াইছে। গুৰুজনাই তেওঁৰ প্রিয় শিষ্য ভট্টদেৱৰ হতুৱাই *কথাবন্ধে ভাগৱত* ৰচনা কৰাইছিল। তেওঁৰ এইঅৱদান পৰোক্ষ যদিও ইয়াৰ গুৰুত্ব অপৰিসীম। দামোদৰদেৱে নিজেও গীত ৰচনা কৰিছিল। মহেশ্বৰ নেওগ সম্পাদিত *ভক্তিগীত সঙ্কলনত* স্থান পোৱা তেওঁৰ এটি গীত হ'ল—

"ভৱ অৰণ্যত দেহ পশুগণ
বিষয়-খাগৰ খায়।
* * *

সত্ব ৰজ তম তিনি গুণ জৰী
গলত মেৰাই আছে।
* * *
কাম ক্রোধ ক্রুৰ ই তিনি কুকুৰে
গাৱৰ মাংসক খায়।"

এই গীতটি দেহবিচাৰৰ শাৰীৰ আৰু ৰূপকধর্মী বুলি সাহিত্যৰ বুৰঞ্জীত উল্লেখ আছে।

৯.৩.৯ হৰিদেৱ

দামোদৰদেৱৰ দৰে হৰিদেৱ নৱবৈষ্ণৱ ধর্মৰ হৰিদেৱী পন্থৰ প্রৱর্তক আছিল। হৰিদেৱৰ কাব্যকৃতি সম্পর্কে কিছু বছৰ আগলৈকে জনা হোৱা নাছিল। সম্প্রতি হৰিদেৱৰ ভণিতা থকা দুখন পুথি পোহৰলৈ আহিছে। সেই পুথি দুখন হ'ল— *শৰণ সাহিত্য* আৰু *ভক্তিৰস তৰাঙ্গিণী*। *শৰণ সাহিত্য* নামৰ পুথিখনত বিভিন্ন সংস্কৃত গ্রন্থৰ পৰা চয়ন কৰা ২৭৮টা অসমীয়া পদ ভাঙনি। এই শ্লোকসমূহ ২২টা স্তৱকত বিভক্ত কৰা হৈছে। দ্বিতীয় গ্রন্থখনতো বিভিন্ন সংস্কৃত শাস্ত্রৰ পৰা নির্বাচন কৰি অনা মুঠ ১০৯১টা শ্লোক সন্নিৱিষ্ট কৰা হৈছে আৰু ১৩টা স্তৱকত বিভক্ত কৰা হৈছে। এই গ্রন্থখনো এখন প্রকৰণ গ্রন্থ। এই গ্রন্থখনৰ এটি বিশেষ বিশেষত্ব যে ইয়াৰ পদসমূহৰ অনুবাদ শদ্যৰ পৰিৱর্তে গদ্যত অসমীয়া অনুবাদ কৰা হৈছে। উদাহৰণ স্বৰূপে—

"উৎপন্না দ্রাবিড়ে চাহং কর্ণাটে বৃদ্ধিমাগতা।
স্থিতা কিম্বিহণ্মহাৰাষ্ট্রে গুর্জৰে জীর্ণতাং গতা।
তত্র মোৰ কলের্যোগাৎ পাষণ্ডৈঃ খণ্ডিতাঙ্গকা।।" ১/৫২


অসমীয়া অনুবাদ— 'আমি দ্রাবিড় দেশে জন্মি আছো তাৰ কর্ণাটে বৃদ্ধিপ্রাপ্ত হই আছিলু, আমি কিছু দিনান্তৰে মহাৰাষ্ট্রে অৱস্থান কৰিছিলু, পাছে আমি গুর্জৰে গৈলু, গুর্জৰে ঘোৰ কলিৰ সহযোগে পাষণ্ডগণ আমাৰ দেহ খণ্ডিত কৰে।।'

"দদ্যাদক্ষয়দীপং যো দামোদৰগৃহে নৰঃ।
দিনে দিনে হশ্বমেধস্য ফলং প্রাপ্নোতি কার্তিকে।।" ৯/১৩

অসমীয়া অনুবাদ— 'যি কার্তিক মাসে দামোদৰ গৃহে অক্ষয়দীপ দানকৰে, সিটো জনে দিন দিন অশ্বমেধফল লাভ কৰন্ত।'

হৰিদেৱৰ দ্বাৰা ৰচিত বুলি পোহৰলৈ অহা *শৰণ সাহিত্য* আৰু *ভক্তিৰস তৰাঙ্গিনী* গ্রন্থ দুখন সার্বজনীনভাৱে স্বীকৃতি লাভ কৰিলে সাহিত্যৰ বুৰঞ্জীত গদ্য ৰচক হিচাপে বৈকুণ্ঠ নাথ পৰিৱর্তে হৰিদেৱকহে স্থান দিব লাগিব। আনহাতে, সাহিত্যৰ বুৰঞ্জী প্রণেতা-সকলৰ এচামৰ মতে হৰিদেৱৰ সাহিত্যকৃতি সন্দেহৰ ঊর্ধ্বত নহয় বুলি মন্তব্য কৰিছে। তেওঁলোকে সন্দেহৰ কাৰণ সম্পর্কে এনেদৰে যুক্তি দাঙি ধৰিছে— "প্রথম ইমান দিনলৈকে

তেখেতৰ ৰচনাৱলীৰ অনাবিস্কৃতি; দ্বিতীয়তে, দ্বিজ বাণেশ্বৰ ৰচিত সংস্কৃত গুৰু চৰিত্রামৃত আৰু সেইখন পুথিৰে দ্বিজ দিবাকৰে কৰা শ্রীশ্রীহৰিদেৱ চৰিত্রকে ধৰি কোনো পুৰণি চৰিত পুথিতে হৰিদেৱে গ্রন্থ ৰচনা কৰাৰ উল্লেখ পোৱা নাযায়।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ৰত্নাকৰ কন্দলি আৰু ৰত্নাকৰ মিশ্রৰ পৰিচয় দি তেওঁৰ কাব্যকৃতিৰ আভাস দিয়ক। (১৫০টা শব্দৰ ভিতৰত লিখক।)



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শঙ্কৰদেৱকে আধাৰ হিচাপে লৈ মধ্যযুগৰ অসমীয়া সাহিত্যক যুগ বিভাজন কৰা হৈছে। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে শঙ্কৰী যুগটোৰ অসমীয়া সাহিত্যৰ ইতিহাসত কিমান গুৰুত্ব আছে। মহাপুৰুষ শঙ্কৰদেৱকে কেন্দ্র কৰি তেওঁৰ অনুগামী শিষ্য-প্রশিষ্যসকলে অশেষ সাধনা আৰু ঐকান্তিক চেষ্টাৰে এক বিশাল সাহিত্য ভাণ্ডাৰৰ জন্ম দিছিল। লগতে শঙ্কৰদেৱে ধর্ম প্রচাৰৰ আহিলা হিচাপে যে সাহিত্যক মাধ্যম হিচাপে গ্রহণ কৰি নৱবৈষ্ণৱ ধর্মৰ প্রচাৰত ব্রতী হৈছিল সেই সম্পর্কে জ্ঞাত হ'ল।
- সর্বভাৰতীয় পর্য্যায়ত আৰম্ভ হোৱা ভক্তি আন্দোলনৰ প্রেক্ষাপটত অসমীয়া ভক্তি আন্দোলন কেনেদৰে আৰম্ভ হ'ল সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিলে।
- শঙ্কৰদেৱ, মাধৱদেৱ প্রমুখ্যে তেৱাসৱৰ শিষ্য-প্রশিষ্যসকলে শঙ্কৰী যুগত ৰচনা কৰা সাহিত্যৰাজিৰ লগত পৰিচিত হ'ল। শঙ্কৰী যুগৰ প্রধান প্রধান কবি-সাহিত্যিকসকলৰ জীৱন আৰু কাব্যকৃতি সম্পর্কে অধ্যয়ন কৰিলে। এই যুগটিত কি কি ধৰণৰ সাহিত্য ৰচিত হৈছিল ধাৰণা লাভ কৰিলে।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৫৫); *পুৰণি অসমৰ ধর্মৰ ধাৰা*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৮৭); *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) গোস্বামী, উপেন্দ্রনাথ (১৯৮৫); *ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ মণি মাণিক প্রকাশ।

৪) দাস, কালীচৰণ (১৯৭৯); *সাহিত্য আৰু দর্শন*; পাঠশালা ঃ পাঠশালা সাহিত্য সভা।

৫) দেৱী, অমিয়া (১৯৯৬); *স্বর্গদেউ ৰুদ্রসিংহ*; গুৱাহাটী ঃ লয়ার্চ বুক ষ্ট'ল।

৬) নেওগ, মহেশ্বৰ (১৯৮৩); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বাণীমন্দিৰ।

৭) নেওগ, মহেশ্বৰ; শৰ্মা, হেমন্ত কুমাৰ (সম্পা.) (১৯৭৯); *সাহিত্য সমীক্ষা*; যোৰহাট ঃ পূৰ্বশ্ৰী প্ৰকাশন।

৮) বৰুৱা, প্ৰহ্লাদ কুমাৰ (১৯৯৭); *ধৰ্ম সমীক্ষা*; গুৱাহাটী ঃ ইম্‌প্ৰিণ্ট।

৯) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৯৭); *শিৰ*; গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

১০) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৭৯); *নিৰ্বাচিত প্ৰবন্ধ*; নতুন দিল্লী ঃ সাহিত্য অকাডেমী।

১১) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম।

১২) শৰ্মা, নবীন চন্দ্ৰ (সম্পা.) (১৯৮৬); *শিৱ পুৰাণ*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

১৩) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৭৭); *অসমীয়া সাহিত্যৰ ইতিবৃত্ত*; পাঠশালা ঃ বাণী প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

১১) Neog, Maheswar; *Sankardeva and His Times.*

১২) Sarma, S. N.; *The Neo-Vaisnavite Movement and the Satra Institution of Assam*.



৯.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ সাৰ্বভৌম ভট্টাচাৰ্য, কংসাৰি কবি আৰু শ্ৰীধৰ কন্দলিয়ে কি কি ৰচনা কৰিছে সেয়া ক'ব লাগিব... ...প্ৰতিখন ৰচনাৰে বিষয়বস্তু, মূল উৎস সম্পৰ্কে ক'ব লাগিব... ...চমুকৈ প্ৰতিখনৰে বিষয়বস্তু আলোচনা কৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ ৰত্নাকৰ কন্দলি, ৰত্নাকৰ মিশ্ৰ, নাৰায়ণ দাস ঠাকুৰ আতায়ে কি কি ৰচনা কৰিছে সেয়া ক'ব লাগিব... ...তেওঁলোকৰ গীতসমূহৰ বিষয়বস্তু সম্পৰ্কে কৈ দুই এটা উদাহৰণ দি চমুকৈ আলোচনা কৰিব লাগিব।

৯.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ ৰচনাত শঙ্কৰী যুগৰ বৈশিষ্ট্য কিদৰে ৰক্ষিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শঙ্কৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্যসমূহ অন্যান্য সাহিত্যিসকলৰ ক্ষেত্ৰত কি কি মিল অমিল আছে দেখুৱাই দিয়ক।

প্ৰশ্ন ৩ ঃ সাৰ্বভৌম ভট্টাচাৰ্যৰ পৰিচয় দাঙি ধৰি তেওঁৰ ৰচনাৱলী সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ *মহাভাৰতৰ* পদ ৰচয়িতা ৰূপে কংসাৰি কায়স্থৰ এটি মূল্যায়ন কৰক।

প্ৰশ্ন ৫ ঃ শ্ৰীধৰ কন্দলিৰ ভণিতা থকা *কাণখোৱা* আৰু *ঘুনুচা কীৰ্ত্তন* পুথি দুখনিৰ বিষয়ে এটি আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৬ ঃ ৰত্নাকৰ কন্দলি আৰু ৰত্নাকৰ মিশ্ৰ একেজন নে দুগৰাকী দুয়োৰে কাব্যকীৰ্তিৰ আলমত আপোনাৰ মতামত ব্যক্ত কৰক।

প্ৰশ্ন ৭ ঃ নাৰায়ণ দাসৰ জীৱন আৰু কাব্য সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ চান্দসাই কোন? তেওঁৰ ৰচিত গীতৰ এটি চমু বিশ্লেষণ কৰক।

প্ৰশ্ন ৯ ঃ দামোদৰদেৱ আৰু হৰিদেৱ এই দুগৰাকী ধৰ্মগুৰুৰ জীৱন আৰু সাহিত্যৰ এটি তুলনামূলক আলোচনা কৰক।

*** ***** ***